■ RNP/GH-075/2024-2026 ■ REGN. NO. ASSASS/2003/11335
■ Vol. 21 ■ No. 281 TUESDAY
■ e-paper : www.asomiyapratidin.in

# অসমীয়া প্ৰতিদিন

■ ২৮ শাওণ ১৯৪৬ শক, মঙলবাৰ, ১৩ আগষ্ট ■ ASOMIYA PRATIDIN ■ AUGUST 13, 2024 ■ [illegible] • Bongaigaon Edition

### কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়

## শিশু যৌন নিৰ্যাতন, বাল্য বিবাহ ঘৰুৱা হিংসা সন্দৰ্ভত সজাগতা সভা




প্ৰতিদিন সেৱা, কলগাছিয়া, ১২ আগষ্ট ঃ বৃহত্তৰ কলগাছিয়া অঞ্চলৰ উচ্চ শিক্ষা গ্ৰহণৰ একমাত্ৰ চৰকাৰী অনুষ্ঠান নৱজ্যোতি মহাবিদ্যালয়ত ১০ আগষ্টত বাল্য বিবাহ, ঘৰুৱা হিংসা আদি সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত হয়। এই উপলক্ষে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শ্বাহজাহান আলী আহমেদৰ সঞ্চালনাত তথা মহাবিদ্যালয়খনৰ যৌন নিৰ্যাতনবিৰোধী সমিতিৰ উদ্যোগত আৰু প্ৰাক্তন শিক্ষাৰ্থী, অধিবক্তা সমিতিৰ সহযোগত অনুষ্ঠিত সজাগতা সভাত সমল ব্যক্তি হিচাপে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা দেৱান আব্দুল আৱালে ঘৰুৱা হিংসা— ইয়াৰ বিৰুদ্ধে ভুক্তভোগীয়ে লাভ কৰা আইনী অধিকাৰ আৰু প্ৰতিকাৰ সম্পৰ্কে আলোচনা আগবঢ়ায়। তদুপৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আন এগৰাকী অধিবক্তা খায়ামউদ্দিন আহমেদে শিশু যৌন নিৰ্যাতন, শিশুৰ ওপৰত নিৰ্যাতন ঃ ইয়াৰ প্ৰতিৰোধ আৰু আইনী ব্যৱস্থা তথা তদন্ত প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা আগবঢ়ায়। ইফালে উক্ত সজাগতা সভাৰ আন এগৰাকী সমল ব্যক্তি তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা মোবাৰক হুছেইনে বাল্য বিবাহ, ইয়াৰ কুপ্ৰভাৱ আৰু প্ৰতিৰোধ সন্দৰ্ভত আলোচনা আগবঢ়াই ৰাইজৰ সহযোগিতা কামনা কৰে। তদুপৰি উক্ত সজাগতা সভাত অধিবক্তা আব্দুল মাতিন (নটাৰী), অধিবক্তা শুকুৰ আলী আহমেদ, অধিবক্তা হজৰত আলী ভূঞা, অধিবক্তা ছাইফুল ইছলাম, অধিবক্তা নুৰুল ইছলাম খান, অধিবক্তা মন্তাজ আলী, অধিবক্তা জাহিদুল ইছলাম, অধিবক্তা সৰবেশ আলী প্ৰমুখ্যে অধিবক্তাসকলে বিভিন্ন পৰামৰ্শ আগবঢ়াই উল্লিখিত তিনিওটা বিষয়ত ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে স্কুল-কলেজীয়া শিক্ষাৰ্থীৰ লগতে শিক্ষক আৰু অধিবক্তা সমাজে ঘৰে ঘৰে গৈ আলোচনা কৰাৰ কাৰ্যসূচী ৰূপায়ণৰ আহ্বান জনায়। ইফালে উক্ত সভাত অধ্যক্ষৰ আসনৰ পৰা দিয়া ভাষণত অধ্যক্ষ ড° শ্বাহজাহান আলী আহমেদে কয়— উপযুক্ত শিক্ষা, সৎ পৰামৰ্শদাতা আৰু সজাগতাৰ অভাৱত বহু ভুক্তভোগীয়ে প্ৰাপ্য ন্যায় পোৱাৰ পৰা বঞ্চিত হোৱাৰ বিপৰীতে অপৰাধীয়ে অপৰাধ কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। এনে অপৰাধ, সামাজিক কুসংস্কাৰৰ লগত যুৱ প্ৰজন্মই নিচাজাতীয় দ্ৰব্যৰ প্ৰতি হোৱা আকৃষ্টতা প্ৰতিৰোধ কৰাৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সহযোগিতা কামনা কৰে। উক্ত সজাগতা সভা আৰম্ভ হোৱাৰ পূৰ্বে নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে 'আমি নৱজ্যোতিয়ান, আমিয়েই গঢ়িম নতুন সমাজ' শীৰ্ষক এটি আৰম্ভণি গীত পৰিৱেশন কৰে।